**সৰ্বভাৰতীয় চিকিৎসা বিজ্ঞান প্ৰতিষ্ঠানৰ কৰ্মচাৰী পৰিষদ (পঞ্জীয়নভুক্ত) ইয়াৰ সভাপতিৰ জৰিয়তে**

**বনাম**

**ভাৰত চৰকাৰ আৰু অন্যান্য**

২৯ অক্টোবৰ, ১৯৯৬

[মাননীয় ন্যায়াধীশ কে ৰামস্বামী আৰু জি.বি. পট্টনাইক]

ফৌজদাৰী কাৰ্যবিধি, ১৯৭৩:

*ধাৰা ১৫৭,১৭৩,১৯০,২০০,৪০৯ - ধাৰা ৪০৯ৰ অধীনত বিচাৰযোগ্য অপৰাধৰ বাবে কৰ্মচাৰী সংঘই চিকিৎসকৰ বিৰুদ্ধে দাখিল কৰা অভিযোগ – আৰক্ষীয়ে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাছিল – অভিযোগকাৰীয়ে ধাৰা ২০০ৰ লগতে ধাৰা ১৯০ৰ অধীনত নিৰ্ধাৰিত প্ৰক্ৰিয়া গ্ৰহণ কৰিব পাৰিলেহেঁতেন –এনে নকৰি ই উচ্চ ন্যায়ালয়ৰ কাষ চাপিছিল আৰু চি. বি. আই.–ৰ দ্বাৰা তদন্ত কৰাৰ নিৰ্দেশ বিচাৰিছিল – উচ্চ ন্যায়ালয়ে লেখ আবেদন নাকচ কৰিছিল – ধাৰা ১৯০ লগতে ধাৰা ২০০ৰ অধীনত প্ৰতিকাৰৰ সুবিধা নোলোৱাকৈ অভিযোগকাৰীয়ে উচ্চ ন্যায়ালয়ত আবেদন কৰাৰ অধিকাৰ নাই – ভাৰতৰ সংবিধান–অনুচ্ছেদ ২২৬*

**দেৱানী আপীল অধিকাৰক্ষেত্ৰ :** বিশেষ অনুমতিৰ আবেদন (দেৱানী) নং ২০৪৫৮/১৯৯৬

দিল্লী উচ্চ ন্যায়ালয়ে লেখ আবেদন নং ১৯৪৬/১৯৯৬ত ১৪/৫/৯৬ তাৰিখে প্ৰদান কৰা ৰায় আৰু আদেশৰ পৰা এই গোচৰ উদ্ভৱ হৈছে।

আবেদনকাৰীৰ হৈ এছ. ভি. দেশপাণ্ডে আৰু প্ৰমিত ছাক্সেনা।

আদালতে তলত দিয়া ধৰনে আদেশ প্ৰদান কৰে:

এই বিশেষ অনুমতি আবেদন ১৯৯৬ চনৰ ১৪ মে'ত দিল্লী উচ্চ ন্যায়ালয়ে দেৱানী লেখ আবেদন নং ১৯৪৬/১৯৯৬ত ভাৰতীয় দণ্ডবিধিৰ ৪০৯ ধাৰাৰ অধীনত বিচাৰযোগ্য অপৰাধৰ বাবে সৰ্বভাৰতীয় চিকিৎসা বিজ্ঞান প্ৰতিষ্ঠানৰ প্ৰাক্তন সঞ্চালক

ডাঃ এছ. কে. কেকাৰৰ বিৰুদ্ধে প্ৰতিষ্ঠান কাৰ্য্যপ্ৰক্ৰিয়া চলাবলৈ দিয়া আদেশৰ বিৰুদ্ধে দাখিল কৰা হৈছে। খণ্ড বিচাৰপীঠে উক্ত চিকিৎসকজনৰ বিৰুদ্ধে উত্থাপন কৰা অভিযোগসমূহৰ তদন্ত কৰিবলৈ আৰক্ষীক পৰমাদেশ জাৰি কৰিবলৈ অস্বীকাৰ কৰে।

আবেদনকাৰীৰ বিজ্ঞ অধিবক্তা শ্ৰী দেশপাণ্ডেয়ে যুক্তি প্ৰদৰ্শন কৰে যে আবেদনকাৰীয়ে সঞ্চালকৰ লগতে সংশ্লিষ্ট মন্ত্ৰী আৰু লগতে প্ৰধানমন্ত্ৰীৰ সন্মুখত চিকিৎসকজনে কৰা সকলো অপৰাধৰ কথা তেওঁলোকৰ দৃষ্টিগোচৰ কৰি সকলো প্ৰয়োজনীয় তথ্য দাখিল কৰিছিল যদিও সেই দিশত কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাছিল। ফলস্বৰূপে, আবেদনকাৰীয়ে আইনৰ অধীনত প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ সংবিধানৰ ২২৬ নং অনুচ্ছেদৰ অধীনত উচ্চ ন্যায়ালয়ত আবেদন কৰিবলৈ বাধ্য হৈছিল। সেয়েহে, উচ্চ ন্যায়ালয়ে লেখ আবেদনখনক গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰা আৰু এই দিশত নিৰ্দেশনা প্ৰদান কৰাটো সঠিক নাছিল। আমি পাইছো যে আবেদনকাৰীয়ে গ্ৰহণ কৰা স্থিতি আইনত সঠিক নহয়।

ফৌজদাৰী কাৰ্যবিধি, ১৯৭৩ (সংক্ষেপে, 'বিধি')য়ে বিচাৰযোগ্য অপৰাধসমূহৰ তদন্ত কৰাৰ পদ্ধতি নিৰ্ধাৰণ কৰে। এটা বিচাৰযোগ্য অপৰাধৰ ক্ষেত্ৰত, কাৰ্যবিধিৰ দ্বাদশ অধ্যায়ত প্ৰক্ৰিয়াটো নিৰ্ধাৰণ কৰা হৈছেঃ- আৰক্ষীক দিয়া খবৰ আৰু বিচাৰযোগ্য অপৰাধৰ তদন্ত কৰাৰ বাবে তেওঁলোকৰ ক্ষমতা। ধাৰা ১৫৪-ৰ উপধাৰা (১)-ত উল্লেখ কৰা হৈছে যে "কোনো বিচাৰযোগ্য অপৰাধ সংঘটিত কৰাৰ সৈতে জড়িত প্ৰতিটো তথ্য যদি কোনো থানাৰ দায়িত্বত থকা বিষয়াক মৌখিকভাৱে দিয়া হয়, তেন্তে তেওঁৰ দ্বাৰা বা তেওঁৰ নিৰ্দেশনা উক্ত তথ্যটো চমুকৈ লিখা হ'ব আৰু তাক তথ্যদাতাক পঢ়ি শুনোৱা হ'ব: আৰু এনে প্ৰতিটো তথ্য, লিখিতভাৱে দিয়া হওক বা পূৰ্বতে উল্লেখ কৰা ধৰণে চমুকৈ লিখাই হওক, সেই তথ্য দিয়া ব্যক্তিজনে তাত স্বাক্ষৰ কৰিব লাগিব, আৰু ইয়াৰ বিষয়বস্তু এনে বিষয়াজনে ৰাজ্য চৰকাৰে এই দিশত নিৰ্ধাৰণ কৰি দিয়া এখন বহীত প্ৰৱেশ কৰিব লাগিব।" এনে তথ্য পোৱাৰ পিছত আৰু তাক চমুকৈ লিপিবদ্ধ কৰাৰ পিছত, আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াজনক ১৫৬ ধাৰাৰ অধীনত বিচাৰযোগ্য অপৰাধটো তদন্ত কৰিবলৈ ক্ষমতা প্ৰদান কৰা হৈছে। তদন্তৰ পদ্ধতি বিধিৰ ১৫৭ নং ধাৰাত উল্লেখ কৰা হৈছে কিন্তু ইয়াৰ সবিশেষ গুৰুত্বপূৰ্ণ নহয়। দ্বাদশ অধ্যায়ত উল্লেখ কৰা ধৰণে নিৰ্ধাৰিত তদন্ত সম্পন্ন কৰাৰ পিছত, অপৰাধটোৰ বিচাৰ কৰাৰ অধিকাৰ থকা আদালতত অভিযোগপত্ৰ দাখিল কৰিব লাগে। ধাৰা ১৭৩ত উল্লেখ কৰা হৈছে যেঃ (১) এই অধ্যায়ৰ অধীনত প্ৰতিটো তদন্ত

অপ্ৰয়োজনীয় পলম নকৰাকৈ সম্পূৰ্ণ কৰিবল লাগিব (২) এইটো সম্পূৰ্ণ হোৱাৰ লগে লগে আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াজনে ৰাজ্য চৰকাৰৰ দ্বাৰা নিৰ্ধাৰিত প্ৰ-পত্ৰত তাত সবিশেষ প্ৰদান কৰি আৰক্ষীৰ প্ৰতিবেদনৰ ওপৰত অপৰাধটোৰ বিচাৰ কৰিবলৈ ক্ষমতাপ্ৰাপ্ত এজন দণ্ডাধীশ ওচৰলৈ প্ৰেৰণ কৰিব। প্ৰতিবেদন প্ৰাপ্ত হোৱাৰ পিছত ১৯০ ধাৰাৰ অধীনত আদালতক অপৰাধটোৰ ওপৰত বিচাৰ কৰাৰ ক্ষমতা প্ৰদান কৰা হয়। ১৭৩(৪) ধাৰাৰ অধীনত, তদন্তকাৰী বিষয়াৰ অপৰাধটোৰ অধিক তদন্ত কৰাৰ ক্ষমতা আছে।

যেতিয়া আৰক্ষীক কোনো তথ্য প্ৰদান কৰা হয় কিন্তু সেই দিশত আৰক্ষীয়ে কোনো ব্যৱস্থা গ্ৰহণ নকৰে, তেতিয়া অভিযোগকাৰীক বিধিৰ ধাৰা ১৯০ ৰ লগতে ধাৰা ২০০ৰ অধীনত উক্ত অপৰাধটোৰ বিচাৰ কৰাৰ অধিকাৰ থকা এজন দণ্ডাধীশৰ ওচৰত অভিযোগ দাখিল কৰাৰ ক্ষমতা প্ৰদান কৰা হৈছে আৰু দণ্ডাধীশয়ে বিধিৰ পঞ্চদশ অধ্যায়ত প্ৰদান কৰা অভিযোগৰ তদন্ত কৰিব লাগে। যদি দণ্ডাধীশয়ে সাক্ষ্য-প্ৰমাণ নথিভুক্ত কৰাৰ পিছত প্ৰথম দৰ্শনত এটা অপৰাধ কৰা বুলি ভাৱে তেন্তে তেখেতে অভিযুক্তজনৰ বিৰুদ্ধে নিজে আইনী প্ৰক্ৰিয়া জাৰি কৰাৰ পৰিৱৰ্তে সংশ্লিষ্ট আৰক্ষীক বিধিৰ দ্বাদশ অধ্যায়ৰ অধীনত অপৰাধটোৰ তদন্ত কৰিবলৈ আৰু প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিব পাৰে। যদি তেওঁ ভাৱে যে অভিযোগটোৱে পৰৱৰ্তী ব্যৱস্থা গ্ৰহণৰ বাবে উপযুক্ত নহয়, তেন্তে তেওঁ বিধিৰ ধাৰা ২০৩ৰ অধীনত অভিযোগটো নাকচ কৰিব পাৰে। যদি তেওঁ অভিযোগ/সাক্ষ্যৰ পৰা এটা অপৰাধ কৰাৰ প্ৰমাণ পায়, তেন্তে তেওঁ অপৰাধটোৰ গোচৰ গ্ৰহণ কৰিব পাৰে আৰু অভিযুক্তজনৰ বিৰুদ্ধে আইনী প্ৰক্ৰিয়া আৰম্ভ কৰিব পাৰে।

এই ক্ষেত্ৰত আবেদনকাৰীয়ে বিধিৰ অধীনত প্ৰদান কৰা দুয়োটা পদ্ধতিৰে কোনোটোৱেই গ্ৰহণ কৰা নাছিল। ফলস্বৰূপে উপৰোক্ত পদ্ধতিৰ সুবিধা নোলোৱাকৈ আবেদনকাৰীয়ে লেখ আবেদন দাখিল কৰি চিবিআইৰ দ্বাৰা এনে তদন্ত চলাবলৈ নিৰ্দেশ বিচাৰি উচ্চ ন্যায়ালয়ৰ কাষ চাপিব নোৱাৰে আৰু চিবিআইৰ দ্বাৰা সকলো বা প্ৰতিটো অপৰাধৰ তদন্ত কৰাৰ প্ৰয়োজন নাই। গতিকে, উচ্চ ন্যায়ালয়ে অনুৰোধ নাকচ কৰাৰ সিদ্ধান্তটো সঠিক আছিল, যদিও তেওঁলোকৰ তেনে কৰাৰ কাৰণ বেলেগ বেলেগ আছিল।

সেই অনুসৰি বিশেষ অনুমতিৰৰ আবেদন খাৰিজ কৰা হ'ল। কিন্তু ই আবেদনকাৰীক ওপৰত উল্লেখ কৰা যিকোনো এটা পদ্ধতি বাছি লোৱাত বাধা

নিদিয়ে যদিহে তেওঁলোকক তেনে কৰিবলৈ পৰামৰ্শ দিয়া হৈছে আৰু ইয়াক উপযুক্ত বুলি বিবেচনা কৰে।

আবেদন খাৰিজ কৰা হ'ল।

অনুবাদ: মুবাৰক হুছেইন

জ্যেষ্ঠ অনুবাদক